**(৬) আত্ম পৰিচয়ৰ অভাৱ (Identify Crisis) ঃ** ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বসবাস কৰা জনসাধাৰণে এতিয়া নিজৰ পৰিচয় সূত্ৰৰ বাবে ব্যাকুল হৈ পৰা দেখা যায়। ৰাষ্ট্ৰই প্ৰদান কৰা ৰাজনৈতিক সা-সুবিধা সমূহ গ্ৰহণ কৰি এই গোষ্ঠীবিলাকে অধিক স্বতন্ত্ৰতাৰ বাবে দাবী কৰি আহিছে। অসমত বিভিন্ন নৃ-গোষ্ঠী বড়ো যেনে— চাওতাল, কাৰ্বি আদিয়ে নিজস্ব ভূমিখণ্ডৰ বাবে আন্দোলন কৰিছে। তেওঁলোকৰ এই আশা-আকাংক্ষাক বাস্তৱত ৰূপ দিবলৈ কিছুমান আঞ্চলিক দলৰ গঠন হৈছে।

**(৭) নেতাসকলৰ উচ্চাকাংক্ষা (Ambition of the Leader) ঃ** আঞ্চলিক ৰাজনৈতিক দল গঠনৰ আন এটা প্ৰধান কাৰণ হ'ল সৰ্বভাৰতীয় দলত উচ্চ পদ লাভ কৰিব নোৱাৰা বা বিশেষ স্থান নোপোৱা নেতা সকলে নিজৰ উচ্চাভিলাষ পূৰণ কৰিবৰ বাবে আঞ্চলিক দল গঠন কৰি নিজৰ ইচ্ছা পূৰণ কৰিব বিচাৰে।

**(৮) ৰাষ্ট্ৰীয় ৰাজনৈতিক দল সমূহৰ গুৰুত্ব হ্ৰাস (Lack of Importance of the National Political Parties) ঃ** সৰ্বভাৰতীয় ৰাজনৈতিক দলসমূহে গ্ৰহণ কৰা কিছুমান নীতি আৰু আঁচনিয়ে জনসাধাৰণৰ আশা-আকাংক্ষা পুৰন কৰাত ব্যৰ্থ হৈছিল। ইয়াৰ উপৰিও ৰাষ্ট্ৰীয় দলৰ নেতৃত্বত গঠিত চৰকাৰে কিছুমান অঞ্চলৰ মানুহৰ সমস্যা সমূহ পূৰ্ণ ৰূপত সমাধান কৰিব পৰা নাই। ফলস্বৰূপে এই দল সমূহৰ জনসাধাৰণৰ মাজত জনপ্ৰিয়তা কমি আহে আৰু বস্তু ৰাজ্যত আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম হয়।

**(৯) জনসাধাৰণৰ হতাশা (Depression of the Common People) ঃ** স্বাধীনতা লাভ কৰাৰ পিছৰে ভাৰতৰ জনসাধাৰণে তেওঁলোকৰ আকাংক্ষাসমূহ চৰকাৰে পূৰণ কৰিব বুলি আশা কৰি আছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গ'ল যে দেশীয় চৰকাৰে তেওঁলোকৰ আশা-আকাংক্ষাসমূহ সমাধান কৰিব পৰা নাই। ইয়াৰ ফলস্বৰূপে নতুন চিন্তাধাৰাৰ উদ্ৰেক হয় ঠাই বিশেষে আঞ্চলিক দলৰ গঠন হয়।

ভাৰতৰ কেইটামান আঞ্চলিক দলৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

Scanned by CamScanner